ULB

# Assamese Unlocked Literal Bible

## ভাববাদী মীখাৰ পুস্তক

### সংস্কৰণ 4

[as]

No warranties are given. The license may not give you all of the permissions necessary for your intended use. For example, other rights such as publicity, privacy, or moral rights may limit how you use the material.

# সুচিপত্ৰ

**ভাববাদী মীখাৰ পুস্তক** **5**
Chapter 1 5
Chapter 2 7
Chapter 3 8
Chapter 4 10
Chapter 5 12
Chapter 6 14
Chapter 7 16
**অবদানকাৰী** **17**
Assamese Unlocked Literal Bible অবদানকাৰী 17
Tischendorf Greek New Testament 8th edition অবদানকাৰী 17

# ভাববাদী মীখাৰ পুস্তক

## Chapter 1

1যিহূদাৰ ৰজা যোথম, আহজ, আৰু হিষ্কিয়াৰ ৰাজত্বৰ সময়ত চমৰিয়া আৰু যিৰূচালেমৰ বিষয়ে দৰ্শনত পোৱা, মোৰেষ্টীয়া মীখালৈ অহা যিহোৱাৰ বাক্য।

### চমৰিয়া আৰু যিৰূচালেমৰ ভাবী দণ্ড। মীখাৰ বিলাপ।

2হে লোকসকল, সকলোৱে শুনক।

হে পৃথিবী আৰু তাত থকা সকলোৱে শুনক।

প্ৰভু যিহোৱা নিজৰ পবিত্ৰ মন্দিৰৰ পৰা

আপোনালোকৰ বিৰুদ্ধে সাক্ষী হওক;

3চাওক, যিহোৱা নিজৰ স্থানৰ পৰা ওলাই আহিছে;

তেওঁ নামি আহিব আৰু

পৃথিবীত থকা মুৰ্ত্তি পূজা কৰা মন্দিৰবোৰ ধ্বংস কৰিব।

4জুইৰ তাপত মম গলাৰ দৰে পৰ্ব্বতবোৰ তেওঁৰ আগত পমি যাব,

এঢলীয়া ঠাইৰ পৰা যেনেকৈ পানী ঢালিলে তললৈ বৈ আহে তেনেকৈ তেওঁৰ আগত উপত্যকাবোৰ ভাঙি ছিন্ন ভিন্ন হৈ যাব।

5যাকোবৰ বিদ্ৰোহ,

আৰু ইস্ৰায়েল-বংশৰ পাপৰ কাৰণেই এই সকলো হব;

যাকোবৰ বিদ্ৰোহৰ কাৰণ কি আছিল?

চমৰিয়া নহয়নে নে? যিহূদাৰ মন্দিৰবোৰৰ কাৰণ কি? যিৰূচালেম নহয়নে?

6দ্ৰাক্ষাবাৰীত গছ ৰোৱা ঠাইৰ দৰে

মই চমৰীয়াক পথাৰত ধ্বংস স্তূপ কৰিম।

মই তেওঁৰ গৃহৰ শিলবোৰ উপত্যকালৈ বগৰাই পেলাম,

মই তেওঁৰ ভিত্তিমূল অনাবৃত কৰিম।

7তেওঁৰ সকলো কটা-মূৰ্ত্তিবোৰ ভাঙি ডোখৰ ডোখৰ কৰা হ’ব,

আৰু তেওঁক দিয়া সকলো উপহাৰ জুইৰে পোৰা যাব,

তেওঁৰ সকলো প্ৰতিমাবোৰ মই উচ্ছন্ন কৰিম;

কাৰণ তেওঁৰ বেশ্যাবৃত্তিলৈ অহা উপহাৰৰ পৰা তেওঁ সেইবোৰ গোটালে,

আৰু বেশ্যাই পৰিশোধ কৰাৰ দৰে তেওঁলোকে ঘূৰাই দিব।”

8এই কাৰণে মই বিলাপ আৰু ক্ৰন্দন কৰি চিঞৰিম,

মই খালি ভৰি আৰু বিবস্ত্ৰ হৈ যাম;

মই শিয়ালৰ দৰে চিঞৰিম

আৰু ফেঁচাৰ দৰে শোক প্ৰকাশ কৰিম,

9কাৰণ তেওঁৰ ঘাবোৰ সুস্থ হ’ব নোৱাৰা;

সেইবোৰ যিহূদালৈকে আহিল,

আৰু যিৰূচালেমলৈ মোৰ লোকসকলৰ দুৱাৰলৈও সেইবোৰ আহি পালে।

10গাত নগৰত এই বিষয়ে নকবা,

আৰু একেবাৰে নাকান্দিবা,

বৈৎলি-অফ্ৰাত মই নিজকে ধূলিত বাগৰাম।

11বিবস্ত্ৰ আৰু লজ্জিত হৈ

চাফীৰৰ নিবাসি সকলৰ মাজেৰে যোৱা।

চাননৰ নিবাসি সকল বাহিৰলৈ ওলাই নাহিল।

তেওঁলোকৰ ৰক্ষণাবেক্ষণ বঞ্চিত কৰাৰ বাবে

বৈৎ-এচেলে বিলাপ কৰিলে।

12কাৰণ মাৰোৎ-নিবাসি সকলে শুভ সম্বাদৰ বাবে আগ্ৰহেৰে অপেক্ষা কৰি আছিল,

কিন্তু যিৰূচালেমৰ দুৱাৰলৈ,

যিহোৱাৰ পৰা দুৰ্যোগ নামি আহিল।

13লাখীচ নিবাসি সকলৰ ঘোঁৰাৰ দলত ৰথ লগোৱা।

চিয়োন জীয়াৰী বাবে লাখীচেই পাপৰ আৰম্ভণ;

কিয়নো ইস্ৰায়েলৰ অধৰ্ম কাৰ্যবোৰ তোমাৰ মাজত পোৱা গল।

14সেয়ে আপুনি মোৰেচৎ-গতক বিদায় উপহাৰ দিব;

ইস্ৰায়েলৰ ৰজাসকলক অকজীবৰ নগৰে নিৰাশ কৰিব।

15মাৰেচা-নিবাসি সকলক মই আপোনাৰ ওচৰলৈ আনিম,

তাৰে এজনে আপোনাৰ অধিকাৰ ল’ব,

ইস্ৰায়েলৰ মূখ্যলোকসকল অদুল্লম গুহালৈকে যাব।

16যি সন্তান সকলৰ কাৰণে আপুনি আনন্দ কৰে,

চুলি কাটক,

আৰু মূৰ খুৰাওক।

ঈগল চৰাইৰ দৰে নিজকে টপা কৰক;

কাৰণ আপোনাৰ সন্তান সকল আপোনাৰ পৰা বহিষ্কৃত হ’ব।

# Chapter 2

## ইস্রায়েলৰ প্ৰধান লোকসকলৰ পাপ। ইস্রায়েলৰ পুনৰ স্থাপন ।

1যিবোৰে নিজৰ নিজৰ শযাত অধৰ্ম কল্পনা কৰে,

আৰু কুকৰ্ম চিন্তা কৰে, তেওঁলোকৰ সন্তাপ হ'ব।

ৰাতিপুৱাৰ পোহৰত তেওঁলোকে এইবোৰ কৰে;

কাৰণ তেওঁলোকৰ শক্তি আছে।

2তেওঁলোকে পথাৰলৈ লোভ কৰে আৰু সেইবোৰ কাঢ়ি লয়,

আৰু তেওঁলোকে ঘৰবোৰলৈ লোভ কৰে আৰু সেইবোৰ দখল কৰে;

এইদৰে তেওঁলোকে মানুহ আৰু তেওঁলোকৰ ঘৰ,

মানুহ আৰু তেওঁলোকৰ উত্তৰাধিকাৰীক অত্যাচাৰ কৰে।

3সেই কাৰণে যিহোৱাই এই কথা কৈছে:

"চোৱা, মই এই জাতিৰ বিৰুদ্ধে দুৰ্যোগ আনিম,

যি দুৰ্যোগৰ পৰা তোমালোকে নিজৰ ডিঙি গুচাব নোৱাৰিবা,

আৰু তোমালোক গৰ্ব্বেৰে চলিব নোৱাৰিবা,

কাৰণ এয়া অমঙ্গলৰ সময়।

4সেই দিনা তোমাৰ শত্ৰুসকলে বিলাপৰ সৈতে ক্ৰন্দনেৰে

তোমাৰ বিষয়ে এটি গীত গাব,

তেওঁলোকে গাব, 'আমি ইস্রায়েলীসকল সম্পূৰ্ণৰূপে ধ্বংস হলোঁ;

যিহোৱাই মোৰ লোকসকলৰ অঞ্চল সলনি কৰিছে;

তেওঁ ইয়াক মোৰ পৰা কেনেকৈ দূৰ কৰিব?

বিদ্ৰোহী সকলক তেওঁ আমাৰ পথাৰবোৰ ভাগ কৰি দিছে।

5সেই বাবে যিহোৱাৰ সমাজত

চিঠি খেলৰ দ্বাৰাই অঞ্চল ভাগ কৰিবলৈ ধনী লোকসকলৰ কোনো বংশধৰ নাথাকিব।

6"ভাববাণী প্ৰচাৰ নকৰিবা,"

তেওঁলোকে কয়,

"তেওঁলোকে এইবোৰৰ বিষয়ে নিশ্চয় ভাববাণী প্ৰচাৰ কৰিব নালাগে;

ভৰ্তসনা নিশ্চয় আহিব নালাগে।"

7যাকোবৰ বংশক এইদৰে সঁচাই ক'ব লাগে নে?

"যিহোৱাৰ আত্মা ক্ৰোধত আছে নে?

এইবোৰ সঁচাই তেওঁৰ কাৰ্য নে?"

যি কোনোৱে ন্যায়ত চলে

তেওঁলোকলৈ মোৰ বাক্যই উপকাৰ নকৰিব নে?

8অলপতে মোৰ লোকসকল শত্ৰুৰ দৰে হৈ উঠিছে;

সৈন্যসকলে নিৰাপদে আছোঁ বুলি ভাবি যুদ্ধৰ পৰা ঘূৰি অহাৰ দৰে,

যিসকলক সন্দেহ কৰা নাযায় তেনে পথিকৰ পৰা তুমি পোচাক, বস্ত্ৰ খুলি লৈছা;

9তোমালোকে মোৰ লোকসকলৰ মহিলা সকলক তেওঁলোকৰ আনন্দদায়ক ঘৰৰ পৰা খেদি দিছা;

তুমি তেওঁলোকৰ তৰুণবয়স্ক সন্তানসকলৰ পৰা মোৰ আশীৰ্ব্বাদ চিৰকাললৈকে কাঢ়ি লৈছা।

10উঠা, আৰু এই ঠাই এৰি যোৱা,

অশুচিতাৰ কাৰণে

এই ঠাই তোমালোক থাকিবৰ বাবে নহয়;

সম্পূৰ্ণ ধ্বংসৰ দ্বাৰাই ইয়াক ধ্বংস কৰা হ'ব।

11মিথ্যা আত্মা আৰু মিছা কথাৰে যদি কোনো এজন তোমাৰ ওচৰলৈ আহি কয়,

"মই দ্ৰাক্ষাৰস আৰু সুৰা পানৰ বিষয়ে তোমাৰ আগত ভাববাণী প্ৰচাৰ কৰিম,"

তেনেহ'লে তেওঁক এই লোকসকলৰ কাৰণে ভাববাদী হ'বলৈ বিবেচনা কৰা হ'ব।

12হে যাকোব, মই নিশ্চয়ে তোমাৰ সকলো লোকক সমবেত কৰিম;

মই নিশ্চয় ইস্ৰায়েলৰ অৱশিষ্ট ভাগক একগোট কৰিম।

গৰালত থকা ভেড়াবোৰৰ দৰে

আৰু চৰণীয়া পথাৰৰ মাজত থকা এজাক পশুৰ দৰে মই তেওঁলোক একত্ৰিত কৰিম।

অধিক লোক হোৱাৰ কাৰণে তাত কোলাহলপূৰ্ণ শব্দ হ'ব।

13কোনো এজনে তেওঁলোকৰ বাবে বাট ভাঙি উলিয়াবলৈ তেওঁলোকৰ আগে আগে যাব;

তেওঁলোকে দুৱাৰ ভাঙিব; আৰু দুৱাৰৰ মাজেৰে বাহিৰ উলাই যাব;

তেওঁলোকৰ ৰজা তেওঁলোকৰ আগেয়ে উলাই যাব,

যিহোৱা তেওঁলোকৰ আগধঁৰোতা হ'ব।

# Chapter 3

1মই কলোঁ,

" যাকোবৰ মূখ্যলোকসকল

আৰু ইস্ৰায়েলৰ বংশৰ শাসনকৰ্ত্তাসকল এতিয়া শুনা:

ন্যায় বুজিপোৱাটো তোমালোকৰ বাবে উচিত নহয় নে?

2তোমালোকৰ যিসকলে ভাল কৰ্ম ঘিণ কৰে,

আৰু পাপক ভাল পোৱা,

তোমালোকে তেওঁলোকৰ ছাল বখলিয়াই,

আৰু তেওঁলোকৰ হাড়ৰ পৰা মাংস এৰুৱাই,

3তোমালোকে মোৰ লোকসকলৰ ছাল বখলিওৱা,

তেওঁলোকৰ হাড় ভাঙা,

পাত্রৰ বাবে মাংস,

আৰু কেৰাহিত দিয়া মাংসৰ দৰে,

তোমালোকে তেওঁলোকক টুকুৰা টুকুৰ কৰা আৰু খোৱা।

4সেই সময়ত শাসনকর্ত্তাসকল তোমালোকে যিহোৱাৰ আগত কাতৰোক্তি কৰিব,

কিন্তু তেওঁ তোমালোকক উত্তৰ নিদিব।

সেই সময়ত তেওঁ তোমালোকৰ পৰা মুখ লুকুৱাব,

কাৰণ তোমালোকে পাপ কর্ম কৰিছা।”

5ভাববাদীসকলৰ বিষয়ে যিহোৱাই এইদৰে কৈছে,

মোৰ লোকসকলক কোনে ভ্রান্ত কৰে:

যিসকলে তেওঁলোকক আহাৰ খোৱাই, তেওঁলোকৰ বাবে

তেওঁলোকে ঘোষণা কৰে, “তাত উন্নতি হ’ব।’

কিন্তু যিসকলে নিজৰ মুখত একো নলয়, তেওঁলোকৰ বাবে

তেওঁলোকে তেওঁলোকৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে।

6সেই কাৰণে তোমালোকৰ বাবে একো দর্শন নোপোৱাকৈ তোমালোকলৈ ৰাতি হব,

আৰু তোমালোকে ভৱিষ্যৎ গণনা কৰিব নোৱাৰাকৈ তোমালোকলৈ আন্ধাৰ হব;

ভাববাদীসকলৰ ওপৰত সূর্য মাৰ যাব,

আৰু সেই দিন তেওঁলোকৰ বাবে আন্ধাৰ হ’ব।

7দর্শকসকলক লাজত পেলোৱা হ’ব,

আৰু ভৱিষ্যৎ গণনা কৰা সকল বিভ্রান্ত হ’ব।

তেওঁলোক সকলোৱে নিজৰ মুখ ঢাকিব;

কাৰণ ঈশ্বৰ পৰা তেওঁলোকলৈ একো উত্তৰ নাই।”

8কিন্তু মোৰ ক্ষেত্রত, যাকোবক তেওঁৰ অপৰাধ

আৰু ইস্রায়েলক তেওঁৰ পাপ ঘোষণা কৰিবলৈ,

মই যিহোৱাৰ আত্মাৰ দ্বাৰাই শক্তি,

ন্যায় বিচাৰ, আৰু পৰাক্রমেৰে পৰিপূর্ণ।

9সকলো সৎ কার্মত বিপথে যোৱা,

আৰু ন্যায় ঘৃণা কৰা হে যাকোবৰ বংশৰ মুখ্যলোকসকল

আৰু ইস্রায়েল বংশৰ শাসনকর্ত্তাসকল, এতিয়া এই কথা শুনা।

10তোমালোকে ৰক্তপাতেৰে চিয়োন,

আৰু পাপেৰে যিৰূচালেম নির্মাণ কৰিলা।

11তোমালোকৰ মুখ্যসকল উৎকোচৰ বাবে বিচাৰ কৰে,

তোমালোকৰ পুৰোহিতসকলে মূল্যৰ বাবে শিক্ষা দিয়ে,

আৰু তোমালোকৰ ভাববাদীসকলে ধনৰ বাবে ভৱিষ্যত বাণী কৰে।

তথাপি তোমালোকে যিহোৱাৰ ওপৰত ভাৰসা কৰি কোৱা,

“যিহোৱা আমাৰ লগত নাই নে?

কোনো আপদ আমালৈ নাহিব।

12এই হেতুকে তোমালোকৰ কাৰণে

পথাৰ চহোৱাৰ দৰে চিয়োনক চহোৱা হ’ব,

যিৰূচালেম ধ্বংসৰ স্তূপ হ’ব,

আৰু মন্দিৰ থকা পাহাৰ জংঘলৰ দৰে হব।

# Chapter 4

## ইস্রায়েলৰ ভাবী মঙ্গল।

1কিন্তু শেষৰ দিনত এইদৰে ঘটিব

যিহোৱাৰ গৃহৰ পৰ্ব্বতটো

আন পৰ্ব্বতবোৰৰ ওপৰত স্থাপন কৰা হ’ব।

এই গৃহটি পাহাৰবোৰতকৈয়ো উচ্চ কৰা হ’ব;

আৰু লোকসকল ইয়ালৈ প্ৰবাহিত হ’ব।

2অনেক দেশৰ লোক যাব আৰু ক’ব,

“আহাঁ, আমি যিহোৱাৰ পৰ্ব্বতটোলৈ উঠো,

আৰু যাকোবৰ ঈশ্বৰৰ গৃহলৈ যাওঁহক।

তেওঁ আমাক তেওঁৰ পথৰ বিষয়ে শিক্ষা দিব,

আৰু আমি তেওঁৰ পথত চলিম।”

কিয়নো চিয়োনৰ পৰা বিধান

আৰু যিৰূচালেমৰ পৰা যিহোৱাৰ বাক্য ওলাই যাব।

3তেওঁ অনেক লোকৰ মাজত বিচাৰ কৰিব,

আৰু দূৰত থকা বহুতো দেশীয় লোকৰ বিষয়ে সিদ্ধান্ত ল’ব;

তেওঁলোক তেওঁলোকৰ তৰোৱাল ভাঙি নাঙলৰ ফাল,

আৰু তেওঁলোকৰ যাঠী ভাঙি কলম দিয়া কটাৰী গঢ়াই ল’ব।

এটা দেশে আন দেশৰ বিৰুদ্ধে তৰোৱাল নাদাঙিব,

অথবা তেওঁলোকে যুদ্ধবিদ্যা আৰু নিশিকিব।

4তাৰ পৰিৱৰ্তে প্ৰতিজন লোকে দ্ৰাক্ষাবাৰী

আৰু ডিমৰু গছৰ তলত বহিব।

কোনেও তেওঁলোকক ভয় খোৱাব নোৱাৰিব;

কাৰণ বাহিনীসকলৰ যিহোৱাই নিজৰ মুখেৰে এই কথা কৈছিল।

5কাৰণ সকলো লোকে

নিজৰ নিজৰ দেৱতাৰ নামেৰে চলে,

কিন্তু আমি চিৰকাললৈকে

আমাৰ ঈশ্বৰ যিহোৱাৰ নামেৰে চলিম।

6যিহোৱাই কৈছে, “সেই দিনা মই পঙ্গুক একগোট,

আৰু অনুন্নত লোকসকলক একত্ৰিত কৰিম;

7মই পঙ্গুক অৱশিষ্ট কৰি ৰাখিম,

আৰু যিজনক দূৰ কৰা হৈছিল, তেওঁক এক বলৱান জাতি কৰিম;

আৰু যিহোৱাই এতিয়া আৰু চিৰকাললৈকে

চিয়োন পৰ্ব্বতত তেওঁলোকৰ ওপৰত ৰাজত্ব কৰিব।

8তোমালোক পশুৰ জাকৰ বাবে পহৰা দিয়া দুৰ্গ,

আৰু তোমালোকলৈ

চিয়োন জীয়াৰীৰ পাহাৰ,

পূৰ্ব্বৰ শাসন,

যিৰূচালেম জীয়াৰীৰ ৰাজ্য আহিব।

9তেনেহ’লে কিয় তোমালোক চিঞৰি কান্দিছা?

তোমালোকৰ মাজত কোনো ৰজা নাই নে?

আৰু তোমালোকৰ পৰামৰ্শদাতা বিনষ্ট হল নে?

যে প্ৰসৱ কৰা মহিলাৰ দৰে তোমালোকৰ আকস্মিক বেদনা হয়;

10চিয়োন জীয়াৰী,

বেদনা অনুভৱ কৰা,

প্ৰসৱ কৰিবলৈ লোৱা মহিলাৰ দৰে,

উৎপন্ন কৰিবলৈ পৰিশ্ৰম কৰা,

কাৰণ তোমালোক এতিয়া নগৰৰ পৰা বাহিৰ ওলাই গৈ,

পথাৰত থাকিব লাগিব,

আৰু বাবিললৈ যাব লাগিব;

সেই ঠাইতে তোমালোক উদ্ধাৰ পাবা,

সেই ঠাইতেই যিহোৱাই তোমাৰ

শত্ৰুৰ হাতৰ পৰা তোমাক মুক্ত কৰিব।

11এতিয়া অনেক দেশবোৰ তোমালোকৰ বিৰুদ্ধে একত্রিত হ’ব;

তেওঁলোকে কৈছে, তেওঁক কলুষিত হ’ব দিয়া,

আমাৰ চকুক চিয়োনক আগ্রহেৰে চাব দিয়া।”

12ভাববাদীয়ে কৈছে, তেওঁলোকে যিহোৱাৰ কল্পনাবোৰ নাজানে,

নাইবা তেওঁলোকে তেওঁৰ আঁচনিবোৰ নুবুজে;

কাৰণ তেওঁ মৰণা মৰা ঠাইত ডাঙৰি গোটোৱাৰ দৰে তেওঁলোকক গোটাইছে।

13যিহোৱাই কৈছে, “হে চিয়োন জীয়াৰী উঠা, আৰু প্ৰহাৰ কৰা;

কাৰণ মই তোমাৰ শিং লোহাৰ

আৰু তোমাৰ খুৰা পিতলৰ কৰিম।

তুমি অনেক লোকক মাৰি চূৰ্ণ কৰিবা;

মই যিহোৱা নিজলৈ তেওঁলোকৰ অন্যায়ৰ সম্পত্তি মই উৎস্বৰ্গ কৰিম,

তেওঁলোকৰ অধিকাৰ গোটেই পৃথিবীৰ প্ৰভুৰ উদ্দেশ্যে উৎসৰ্গ কৰিম।

## Chapter 5

1যিৰূচালেমৰ লোকসকল,

এতিয়া একলগ হৈ যুদ্ধলৈ শাৰীত আহঁা,

তোমালোকৰ নগৰৰ চাৰিওফালে এখন দেৱাল আছে,

কিন্তু তেওঁলোকে ইস্রায়েলৰ মূখ্যলোকসকলক

লাঠিৰে গালত প্রহাৰ কৰিব।

2কিন্তু হে বৈৎলেহেম-ইফ্ৰাথা,

যিহূদাৰ গোষ্ঠীবোৰৰ মাজত যদিও তোমালোক অতি ক্ষুদ্র,

তথাপিও ইস্রায়েলক শাসন কৰিবলৈ

তোমালোকৰ পৰাই এজন মোৰ ওচৰলৈ আহিব,

যিজনৰ আৰম্ভণী পূৰ্ব্বকালৰ পৰা অনন্তকাললৈকে।

3এই হেতুকে যেতিয়ালৈকে তেওঁ প্ৰসৱ বেদনাৰে সন্তান জন্ম নিদিয়ে,

ঈশ্বৰে তেওঁলোকক ত্যাগ কৰিব;

আৰু তেওঁৰ ভাইসকলৰ অৱশিষ্ট সকল ইস্রায়েলৰ লোকসকললৈ উলটি আহিব।

4যিহোৱাৰ শক্তিৰে তেওঁ থিয় হ’ব

আৰু তেওঁৰ পশুৰ জাক চৰাব,

তেওঁলোকৰ ঈশ্বৰ যিহোৱাৰ নামৰ মহিমাত

তেওঁলোকে বাস কৰিব;

কাৰণ তেওঁ পৃথিবীৰ শেষলৈকে মহান হ’ব।

5তেঁৱেই আমাৰ শান্তি হ’ব;

যেতিয়া অচূৰে আমাৰ দেশলৈ সোমাই আহিব,

আৰু আমাৰ দুৰ্গবোৰৰ অহিতে তেওঁলোকে দৃঢ়ভাৱে অগ্ৰগতি কৰিব,

তেতিয়া আমি তেওঁলোকৰ বিৰুদ্ধে সাত জন ভেড়া-ৰখীয়া,

আৰু লোকসকলৰ ওপৰত আঠ জন মূখ্য লোকক তুলি ধৰিম।

6এই লোকসকলে তৰোৱালেৰে অচূৰৰ দেশ,

আৰু নিজৰ হাতৰ তৰোৱালেৰে নিম্ৰোদৰ দেশ শাসন কৰিব।

যেতিয়া অচূৰে আমাৰ দেশত সোমাব,

আৰু আমাৰ সীমাৰ ভিতৰত খোজ দিব,

তেতিয়া তেওঁ আমাক অচূৰৰ পৰা ৰক্ষা কৰিব।

7বহুতো মানুহৰ মাজত যাকোবৰ অৱশিষ্ট লোক,

যিহোৱাৰ পৰা অহা নিয়ৰ,

আৰু ঘাঁহত পৰা বৰষুণৰ দৰে থাকিব।

সেইবোৰে মানুহৰ,

আৰু মনুষ্য সন্তানসকলৰ বাবে অপেক্ষা নকৰে।

8দেশৰ আৰু বহুতো মানুহৰ মাজত

যাকোবৰ অৱশিষ্ট লোক,

জংঘলত জন্তুৰ মাজত থকা সিংহ,

আৰু ভেড়াৰ জাকৰ মাজত থকা যুবা সিংহৰ দৰে থাকিব।

যেতিয়া তেওঁ তেওঁলোকৰ মাজেৰে যায়,

তেওঁ তেওঁলোকক গচকিব আৰু ফালি টুকুৰা টুকুৰ কৰিব,

আৰু সেই ঠাইত তেওঁলোকক ৰক্ষা কৰিবলৈ কোনো নাথাকিব।

9তোমাৰ শত্ৰুবোৰৰ বিৰুদ্ধে তোমাৰ হাত তুলি ধৰা হওক,

আৰু সেয়ে তেওঁলোকক ধ্বংস কৰিব।

10“সেই দিনা এইদৰে ঘটিব,” যিহোৱাই কৈছে,

“মই তোমালোকৰ মাজৰ পৰা তোমালোকৰ ঘোৰাবোৰ ধ্বংস কৰিম,

আৰু তোমালোকৰ ৰথবোৰ বিনষ্ট কৰিম।

11মই তোমালোকৰ দেশৰ নগৰবোৰ উচ্ছন্ন কৰিম,

আৰু তোমালোকৰ দুৰ্গবোৰ ভাঙি পেলাম।

12মই তোমালোকৰ হাতৰ মায়াকাৰ্য নষ্ট কৰিম,

আৰু তোমালোকৰ কোনো গণক নাথাকিব।

13মই তোমালোকৰ মাজৰ পৰা কটা-প্ৰতিমাবোৰ,

আৰু তোমালোকৰ শিলৰ স্তম্ভবোৰ ধ্বংস কৰিম।

তোমালোকৰ নিজৰ হাতৰ কাৰ্যক আৰু প্ৰণিপাত নকৰিবা;

14মই তোমালোকৰ মাজৰ পৰা আচেৰা খুঁটা বিনাশ কৰিম,

আৰু মই তোমালোকৰ নগৰবোৰ ধ্বংস কৰিম।

15যি দেশে মোৰ কথা নুশুনে সেই দেশৰ ওপৰত

মই খং আৰু ক্ৰোধেৰে প্ৰতিকাৰ সাধিম।

## Chapter 6

### যিহোৱাৰ অভিযোগ আৰু লোকসকলৰ উত্তৰ ।

1যিহোৱাই যি কৈছে, এতিয়া তোমালোকে শুনা।

মীখাই তেওঁক ক'লে, “উঠক আৰু পৰ্ব্বতবোৰৰ সন্মুখত আপোনাৰ অৱস্থাৰ বিষয়ে কওক,

পাহাৰবোৰক আপোনাৰ মাত শুনিবলৈ দিয়ক।

2হে পৰ্ব্বতবোৰ, আৰু পৃথিবীৰ স্থায়ী ভিত্তিমূল,

যিহোৱাৰ অভিযোগ শুনা;

কাৰণ যিহোৱাৰ নিজৰ লোকসকলৰ সৈতে অভিযোগ আছে,

আৰু তেওঁ ইস্ৰায়েলৰ বিৰুদ্ধে ন্যায়ালয়ত যুঁজিব।

3“হে মোৰ লোকসকল, মই তোমালোকক কি কৰিলোঁ?

মই কেনেকৈ তোমালোকক পৰিশ্ৰান্ত কৰিলোঁ?

মোৰ অহিতে সাক্ষ্য দিয়া।

4কাৰণ মই তোমালোকক মিচৰ দেশৰ পৰা উলিয়াই আনিলোঁ,

আৰু বন্দীঘৰৰ পৰা তোমালোকক মুক্ত কৰিলোঁ;

মই তোমালোকৰ ওচৰলৈ মোচি, হাৰোণ, আৰু মিৰিয়মক পঠিয়াইছিলোঁ।

5হে মোৰ লোকসকল, মোৱাবৰ ৰজা বালাকে কি পৰিকল্পনা কৰিছিল,

আৰু বিয়োৰৰ পুত্ৰ বিলিয়মে বালাকক কি উত্তৰ দিছিল, সেই বিষয়ে সোঁৱৰণ কৰা।

তাতে চিটীমৰ পৰা গিলগললৈ যাওঁতে যি ঘটিছিল,

সেই সকলো যিহোৱাৰ ন্যায় কাৰ্য তোমালোকে জানিব পাৰিবা।

6সৰ্ব্বোপৰি ঈশ্বৰক প্ৰণাম কৰোঁতে,

মই যিহোৱালৈ কি লৈ যাম?

মই তেওঁৰ ওচৰলৈ এবছৰীয়া দামুৰীৰ সৈতে

হোম-বলি লৈ যোৱা উচিত নে?

7হাজাৰ হাজাৰ ভেড়া,

বা দহ হাজাৰ তেলৰ নদীত যিহোৱা সন্তুষ্ট হব নে?

মোৰ অপৰাধৰ বাবে মোৰ প্ৰথমে জন্ম হোৱা সন্তান,

আৰু মোৰ নিজৰ পাপৰ বাবে মোৰ ঔৰসৰ ফল দান কৰিম নে?

8হে মনুষ্য, যিহোৱাই যি ভাল,

সেই বিষয়ে তোমালোকক ক'লে;

আৰু যিহোৱাই তোমালোকৰ পৰা এইবোৰ বিচাৰে:

ন্যায়ৰূপ কাৰ্য কৰা,

দয়াশীলতাক ভাল পোৱা,

আৰু তোমালোকৰ ঈশ্বৰৰ সৈতে নম্ৰভাৱে চলা।

9যিহোৱাৰ মাতে নগৰলৈ ঘোষণা কৰিছে,

এনে কি এতিয়া প্ৰজ্ঞায়ো তোমাৰ নাম স্বীকাৰ কৰিছে:

“তোমালোকে দণ্ড ডালিলৈ

আৰু যিজনে নিৰ্দ্দিষ্ট ঠাইত ইয়াক ৰাখিছে তেওঁলৈ মনোযোগ দিয়া।

10দুষ্ট লোকৰ ঘৰৰ সম্পত্তিবোৰ অসৎ,

আৰু মিছা জোখবোৰ ঘিণলগীয়া।

11অন্যায়ৰ তুলাচনী আৰু প্ৰবঞ্চক

ওজনৰ মোনা ব্যৱহাৰ কৰা জনক মই নিৰ্দ্দোষী বুলি বিবেচনা কৰিম নে?

12ধনী লোকসকল অত্যাচাৰেৰে পৰিপূৰ্ণ,

তাৰ নিবাসী সকলে মিছা কথা কয়,

আৰু তেওঁলোকৰ জিভা প্ৰতাৰণাপূৰ্ণ।

13এই হেতুকে মই বিষম আঘাতেৰে তোমালোকক আঘাত কৰিলোঁ;

তোমালোকৰ পাপৰ কাৰণে মই তোমালোকক ধ্বংস কৰিলোঁ।

14তোমালোকে খাবা কিন্তু তৃপ্ত নহবা,

তোমালোকৰ পেট খালীয়ে হৈ থাকিব;

তোমালোকে বস্তুবোৰ গোটাবা কিন্তু ৰক্ষা কৰিব নোৱাৰিবা;

আৰু তোমালোকে যি ৰক্ষা কৰিবা, তাক মই তৰোৱালক শোধাই দিম।

15তোমালোকে সিচিবা কিন্তু দাবলৈ নাপাবা;

তোমালোকে জলফাই গচকিবা কিন্তু তেল নিজে ঘঁহিব নাপাবা;

তোমালোকে দ্ৰাক্ষাগুটি চেপিবা, কিন্তু দ্ৰাক্ষাৰস পান কৰিবলৈ নাপাবা।

16অম্ৰীৰ বিধিবোৰ,

আৰু আহাবৰ বংশৰ সকলো কাৰ্যবোৰ পালন কৰিছা,

তোমালোকে তেওঁলোকৰ উপদেশত চলিলা;

সেয়ে মই তোমালোকৰ নগৰ ধ্বংস কৰিম,

আৰু তোমালোকক নিবাসীসকলে বিদ্রূপ কৰিব,

মোৰ লোকসকলৰ অবজ্ঞা তোমালোকে বহন কৰিবা।”

## Chapter 7

1মোৰ সন্তাপ হল!

মোৰ বাবে এইয়া গ্ৰীষ্মকালৰ ফল চপোৱা,

চেৰ পৰা দ্ৰাক্ষাগুটি গোটোৱাৰ পাছত গুটি বিচৰাবিলাকৰ নিচিনা হলোঁ; খাবলৈ এথোপাও নাই, মোৰ প্ৰাণে হাবিয়াহ কৰা প্ৰথমে পকা ডিমৰু
গুটিও নাই। 2পৃথিবীৰ পৰা সাধু লোক উচ্ছন্ন হল, মানুহবিলাকৰ মাজত ধাৰ্ম্মিক লোক কোনো নাই; সিহঁত আটায়ে ৰক্তপাত কৰিবলৈ খাপ দি
থাকে, সিহঁত প্ৰতিজনে নিজ নিজ ভাইক জালেৰে ধৰিবলৈ চেষ্টা কৰে। 3সিহঁতৰ হাত দুখন পৰিশ্ৰমেৰে মন্দ কাৰ্য্য কৰিবলৈ যুগুত; অধিপতিয়ে
খোজে, আৰু বিচাৰকৰ্ত্তাই ভেঁটিৰ অৰ্থে কাৰ্য্য কৰে; আৰু বৰ লোকে নিজৰ মনৰ দুষ্টতা মুখেৰে প্ৰকাশ কৰে; সিহঁত সকলোৱে মিলি জাল
গোঁঠে। 4সিহঁতৰ মাজৰ উত্তম জন চোৰাতৰ নিচিনা, অতি সৰল জন কাঁইটীয়া জেওৰাতকৈয়ো বেয়া; তোমাৰ প্ৰহৰীবিলাকৰ দিন, তোমাৰ
দণ্ডৰ দিনেই উপস্থিত; এতিয়া সিহঁত ব্যাকুল হব। 5তোমালোকে বন্ধুত প্ৰত্যয় নকৰিবা, প্ৰণয়ৰ বন্ধুত বিশ্বাস নকৰিবা; তোমাৰ বুকুত শোওঁতা
জনীৰ পৰা নিজ মুখৰ দুৱাৰ বন্ধ কৰা। 6কিয়নো পুতেকে বাপেকক অমান্য কৰে, জীয়েক নিজ মাকৰ, আৰু বোৱাৰীয়েকে নিজ শাহুৱেকৰ
বিৰুদ্ধে উঠে; নিজ নিজ পৰিয়ালেই মানুহৰ শত্ৰু হয়।

7কিন্তু মই হলে, যিহোৱালৈ অপেক্ষা কৰিম, মোৰ ত্ৰাণকৰ্ত্তা ঈশ্বৰলৈ বাট চাম; মোৰ ঈশ্বৰে মোলৈ কাণ দিব। 8হে মোৰ শত্ৰু, মোৰ অহিতে
আনন্দ নকৰিবা; যদিও মই পৰিলোঁ, তথাপি মই আকৌ উঠিম, আৰু যদিও মই আন্ধাৰত বহিছোঁ, তথাপি মোৰ পক্ষে যিহোৱা পোহৰ হব।
9যিহোৱাই মোৰ অভিযোগ প্ৰতিবাদ, আৰু মোৰ নিমিত্তে বিচাৰ নিষ্পত্তি নকৰালৈকে, তেওঁৰ অহিতে মই পাপ কৰাৰ কাৰণে মই তেওঁৰ ক্ৰোধৰ
ভাৰ বম; তেওঁ মোক পোহৰলৈ আনিব, তাতে মই তেওঁৰ ন্যায় কাৰ্য্য দেখিবলৈ পাম। 10তেতিয়া, তোমাৰ ঈশ্বৰ ক’ত? এই বুলি মোৰ আগত
কোৱা মোৰ শত্ৰুৱে তাক দেখিব, আৰু সেই শত্ৰুক লাজে ঢাকিব; মোৰ চকুৱে তাক সন্তোষেৰে চাব; তাক বাটৰ বোকাৰ নিচিনাকৈ গচকা হব।
11তোমাৰ গড়বোৰ সাজিবৰ দিন আহিছে; সেই দিনা আজ্ঞাটি দূৰলৈকে প্ৰচাৰিত হব। 12সেই দিনা, অচূৰৰ পৰা মিচৰৰ নগৰবোৰলৈকে,
মিচৰৰ পৰা নদীখনলৈকে, এক সমুদ্ৰলৈকে, আৰু এক পৰ্ব্বতৰ পৰা আন পৰ্ব্বতলৈকে য’ত লোক আছে, সেই সকলোৱেই তোমাৰ ওচৰলৈ
আহিব। 13তথাপি দেশ-নিবাসীবিলাকৰ কাৰণে, তেওঁবিলাকৰ কাৰ্য্যফলৰ কাৰণেই দেশ উচ্ছন্ন হব।

14অকলশৰীয়া হৈ বাস কৰা তোমাৰ আধিপত্যৰ ভেড়াৰ জাক তোমাৰ প্ৰজাক তুমি লাখুটি লৈ কৰ্ম্মিলৰ মাজত থকা কাঠনিত চৰোওৱা;
তেওঁবিলাকে আগৰ দৰে বাচানত আৰু গিলিয়দত চৰক। 15তুমি মিচৰৰ পৰা ওলাই অহা দিনা তোমাক দেখুউৱাৰ দৰে মই তেওঁবিলাকক নানা
আচৰিত কাৰ্য্য দেখুৱাম। 16জাতিবিলাকে তাকে দেখি নিজৰ আটাই পৰাক্ৰমৰ বিষয়ে লাজ পাব, মুখত হাত দিব, আৰু সিহঁতৰ কাণ কলা হব
। 17সিহঁতে সাপৰ নিচিনাকৈ ধূলি চেলেকিব, আৰু পৃথিবীৰ বগাই ফুৰা প্ৰাণীৰ নিচিনাকৈ নিজ নিজ গোপনীয় ঠাইৰ পৰা কঁপি কঁপি ওলাব;
সিহঁতে ভয়েৰে আমাৰ ঈশ্বৰ যিহোৱাৰ ওচৰলৈ আহিব, আৰু তোমালৈ ভয় কৰিব।

18অপৰাধ ক্ষমা কৰোঁতা আৰু নিজ আধিপত্যৰ অৱশিষ্ট ভাগৰ দাই এৰি দিওঁতা তোমাৰ নিচিনা ঈশ্বৰ কোন আছে? তেওঁ দয়া ভাল পোৱাৰ
কাৰণে চিৰকাললৈকে নিজৰ ক্ৰোধ নাৰাখে। 19তেওঁ পুনৰায় ঘূৰি আমাক কৃপা কৰিব, আৰু আমাৰ অপৰাধবোৰ ভৰিৰে গচকিব; আৰু তুমি
তেওঁবিলাকৰ আটাই পাপ সমুদ্ৰৰ গভীৰ জলত পেলাই দিব। 20তুমি আগৰ কালত আমাৰ পূৰ্ব্ব-পুৰুষবিলাকৰ আগত যি শপত খাইছিলা, সেই
শপতৰ দৰে যাকোবলৈ সত্য ব্যৱহাৰ কৰিবা, আৰু অব্ৰাহামক দয়াপ্ৰাপ্ত কৰিবা।

# অবদানকারী

## Assamese Unlocked Literal Bible অবদানকারী

Ajit Kumar Singha
Antoney Raj
Basanta Kumar Sarma
Cdr. Thomas Mathew
Dr. Bobby Chellappan
Hinal Prakash
Jobby Prasannan
Jumi Devi
Kanika Dhar
Kavita Bora
Merlyn Easa
Numali Tara
Rev. Tarun Singha
Rinu John
Sangeet Momin
Shojo John
Door43 World Missions Community

## Tischendorf Greek New Testament 8th edition অবদানকারী

eBible.org
Clint Yale
Dr. Maurice A. Robinson
Ulrik Sandborg-Petersen
Door43 World Missions Community